**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 30-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আটাইকেইটা শাখাৰ ফলাফল আজি ঘোষণা কৰা হয়। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত উত্তীৰ্ণৰ হাৰ ৮১ দশমিক ৩-২ শতাংশ, বিজ্ঞান শাখাত ৮৩ দশমিক ৯-৯ শতাংশ, বাণিজ্য শাখাত ৮২ দশমিক ৯-৩ শতাংশ আৰু বৃত্তিগত শাখাত উত্তীৰ্ণৰ হাৰ ৬৮ দশমিক ৮-৪ শতাংশ।

০০০০০

পৰহিলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি বিয়লি ৩ বজাত সামৰণি পৰিছে। প্ৰথম পৰ্যায়ত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলাত ভোটগ্ৰহণ হ'ব।

০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণক কেন্দ্ৰ কৰি ৰাজ্যৰ আন আন জিলাসমূহৰ লগতে ডিব্ৰুগড় আৰু চৰাইদেউ জিলাৰ পঞ্চায়ত নিৰ্বাচন ক্ষেত্ৰৰ অন্তৰ্গত অঞ্চলসমূহত অহা ২ মে'ৰ দিনটো ৰাজহুৱা বন্ধৰ দিন হিচাপে ঘোষণা কৰা হৈছে। এই সময়ছোৱাত জিলাখনৰ পঞ্চায়ত নিৰ্বাচন ক্ষেত্ৰৰ অন্তৰ্গত অঞ্চলৰ সকলো চৰকাৰী বেচৰকাৰী কাৰ্যালয়, পঞ্চায়ত আৰু স্থানীয় নগৰ নিকায়, শিক্ষানুষ্ঠান, বেংক, ব্যৱসায়িক প্ৰতিষ্ঠান, চাহ বাগিছা, উদ্যোগ আদি বন্ধ থাকিব বুলি জিলা আয়ুক্তই নিৰ্দেশনা জাৰি কৰিছে।

০০০০০

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুসৰি উচচ শিক্ষাৰ ক্ষেত্ৰত তেজপুৰ বিশ্ববিদ্যালয়ে ২০২৫-২৬ শিক্ষাবৰ্ষৰ পৰা ৮ টা নতুন পাঠ্যক্ৰম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই নতুন দ্বৈত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমসমূহত উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ সংহত পাঠ্যক্ৰম হিচাপে অভিযান্ত্ৰিক আৰু ব্যৱস্থাপনা শিক্ষাৰ সমন্বয় কৰা হৈছে। নতুন পাঠ্যক্ৰম সমূহত আছে- ভাষা বিজ্ঞান আৰু ভাষা প্ৰযুক্তিত স্নাতক, সমাজতত্ব বিভাগত স্নাতক, সৌৰশক্তি অভিযান্ত্ৰিকত স্নাতকোত্তৰ, উৎপাদন প্ৰযুক্তি আৰু স্বচালন প্ৰযুক্তিত স্নাতক, অনুবাদ অধ্যয়নত স্নাতকোত্তৰ, নৱীকৰণযোগ্য শক্তি আৰু শক্তি ব্যৱস্থাপনাত কাৰ্যকৰী উন্নয়ন আৰু বিত্তীয় বজাৰ অধ্যয়নত স্নাতকোত্তৰ ডিপ্লমা। বিশ্ববিদ্যালয়খনে ইতিমধ্যে বিভিন্ন পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনলাইন পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

০০০০

কাইলৈৰ পৰা পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্যন্ত ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যঘ্ৰ প্ৰকল্পৰ পৰ্যটকৰ বাবে হাতী চাফাৰী বন্ধ থাকিব। অৱশ্যে বতৰৰ ওপৰত নিৰ্ভৰ কৰি জীপ চাফাৰী ১৫ মে'লৈকে খোলা থাকিব বুলি মঙলদৈৰ বন্যপ্ৰাণী  সংমণ্ডলৰ বন সংমণ্ডল বিষয়াই জানিবলৈ দিছে।

ooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱ আসনৰ উদ্যোগত মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱৰ ৪৭২ সংখ্যক জয়ন্তী উপলক্ষে আজি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বুৰঞ্জীবিদ তথা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° নিৰোদ বৰুৱাই মৰাণসকলৰ ৰাজনৈতিক আৰু আৰ্থসামাজিক অৱস্থা সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে।  ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য ড° শৰৎ বৰকটকীয়ে উদ্বোধন কৰা বক্তৃতানুষ্ঠানৰ আদৰণি ভাষণ শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱ আসনৰ অধ্যাপক ড° জাহ্নবী গগৈ নাথে প্ৰদান কৰে। এই অনুষ্ঠানত শ্ৰীশ্ৰীমায়ামৰা দিনজয় সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীমুকুন্দানন্দ গোস্বামী, শ্ৰীশ্ৰীঅনিৰুদ্ধএদেৱ আসনৰ প্ৰাক্তন অধ্যাপক তথা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ডম্বৰুধৰ নাথ, শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ প্ৰমুখ্যে গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে।

ooooo

তামুলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত শালমাৰা গাঁৱত আৰক্ষীয়ে আজি গোপন সূত্ৰৰ পম খেদি ৮ গৰাকী চাইবাৰ অপৰাধীক আটক কৰে। তামুলপুৰ জিলাৰ আৰক্ষী অধীক্ষক আৰু ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বৰ দলটোৱে শালমাৰা গাঁৱত জিয়াৰুল খানৰ ঘৰত অভিযান চলাই গণেশ গেহলট, শ্ৰৱন কে আৰ কাচৱান, যতীন উপাধ্যায়, অনুধ উপাধ্যায়, শ্বাহৰুক ৰায়ৱান, বিকাশ নাথ, প্ৰদীপ শৰ্মা আৰু সৰ্জন মুখিয়া নামৰ চাইবাৰ অপৰাধীকেইজনক আটক কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি অভিযানত কম্পিউটাৰ, মোবাইল, সক্ৰিয় হৈ থকা চীমকাৰ্ড, এ টি এম, লেপটপ আদি জব্দ কৰা হৈছে।   অভিযোগ অনুসৰি অপৰাধীকেইজনে শালমাৰা গাঁৱৰ জিয়াৰুল খানৰ ভাড়াঘৰৰ পৰা অপৰাধজনিক কাম-কাজসমূহ অব্যাহত ৰাখিছে।

ooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় আদৰ্শ আৰু কৃষ্টি-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ দ্বাৰা মানৱ জাতিক একতাৰ বান্ধোনেৰে শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে আজি পশ্চিম বংগৰ সুন্দৰবনৰ চৌবিবছ পৰগনাৰ মহেশপুৰত নামঘৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা হয়। গুৱাহাটীৰ কুমাৰপাৰাৰ ৰাজহুৱা সত্ৰৰ উদ্যোগত সত্ৰখনৰ সত্ৰাধিকাৰ সনাতন দাসে এই নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। এই উপলক্ষে ভাৰতীয় শ্ৰীমন্ত শংকৰদেৱ সমাজৰ পৰিচালনাত আৰু পশ্চিম বংগৰ জয়গুৰু শংকৰ মাধৱ ফাউণ্ডেশ্যনৰ সহযোগত এখন ধৰ্মালোচনা সভা অনুষ্ঠিত হয়। এই সভাত গুৰুজনাৰ ধৰ্ম আৰু আদৰ্শত বিশ্বাসী দুশৰো অধিক লোকে অংশগ্ৰহণ কৰে।

ooooo

জম্মু-কাশ্মীৰৰ পহলগামত সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা ৩৫ লৈ বৃদ্ধি পাইছে। আৰক্ষীয়ে আজি দেশ বিৰোধী মন্তব্য কৰাৰ বাবে

বঙাইগাঁও জিলাৰ গেৰুকাবাৰীৰ মানকচা গাঁৱৰ মুস্তাফিজুৰ ৰহমান নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। মুস্তাফিজুৰৰ বিৰুদ্ধে পাঠশালা থানাত এজাহাৰ ৰুজু কৰা হৈছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই চুপাৰ কিংছে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ১৮ অভাৰ ৫ টা বলত ৮ টা উইকেট হেৰুৱাই ১৮৬ ৰাণ সংগ্ৰহ কৰি খেলি আছে। পাঞ্জাব কিংছে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

ooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ